# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 03-02-2025
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*
**- - - - - - - - - - - - - -**

১। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেইবাগৰাকীও কেন্দ্ৰীয় জ্যেষ্ঠ মন্ত্ৰীক সাক্ষাৎ কৰি এডভাণ্টেজ আছাম সন্দৰ্ভত আলোচনা।

২। অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বিবাৰ্ষিক পাঠশালা অধিৱেশনত আজি বুৰঞ্জী সন্মিলন, লোক সাংস্কৃতিক সমাৰোহকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত।

৩। আলফাৰ ওপৰত থকা নিষেধাজ্ঞা আৰু ৫ বছৰৰ বাবে বৃদ্ধি কৰাৰ পৰিপ্ৰেক্ষিতত সংগঠনটোক এমাহৰ ভিতৰত গুৱাহাটী উচ্চ ন্যায়ালয়ত হাজিৰ হ'বলৈ অবৈধ কাৰ্যকলাপ প্ৰতিৰোধ ট্ৰাইবুনেলৰ নিৰ্দেশনা জাৰি।

৪। ২০২৫-২৬ বৰ্ষৰ বাজেটত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বাবে ৰে'ল মন্ত্ৰালয়ৰ আৱণ্টনৰ পৰিমাণ বিগত বিত্তীয় বৰ্ষৰ বাজেটতকৈ ৪৭ শতাংশ বৃদ্ধি। **আৰু**

৫। ৰাজ্যৰ বিভিন্ন প্ৰান্তত পৰম্পৰাগত ৰীতি-নীতি তথা উলহ-মালহেৰে বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ পূজা-অৰ্চনা।

০০০০০

অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত হ'বলগীয়া ৰাজ্যৰ বিনিয়োগ আৰু আন্তঃগাঁথনি উন্নয়ন সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ মাত্ৰ কেইটামান দিন বাকী থকা অৱস্থাত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকে ধৰি কেইবাগৰাকীও কেন্দ্ৰীয় জ্যেষ্ঠ নেতাক সাক্ষাৎ কৰি এই সন্মিলনৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰে। নামৰূপত চৰকাৰে ইউৰিয়া প্ৰকল্প স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ বাবে মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰধানমন্ত্ৰীগৰাকীক ধন্যবাদ জ্ঞাপন কৰে। ৰাজ্যখনৰ উন্নয়নৰ যাত্ৰাক এই প্ৰকল্পই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। সমাগত এডভাণ্টেজ আছাম শীৰ্ষ সন্মিলনৰ দ্বিতীয় সংস্কৰণ তথা ঝুমুইৰ বিনন্দীয়া অনুষ্ঠান সন্দৰ্ভত প্ৰধানমন্ত্ৰীৰ পৰা মূল্যৱান পৰামৰ্শ লাভ কৰা বুলিও তেওঁ সদৰি কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এই সন্মিলন কেৱল অসমৰ ঔদ্যোগিক আৰু ব্যৱসায়ীক ক্ষেত্ৰই অৰ্জন কৰা সফলতাসমূহ প্ৰদৰ্শনতে সীমাবদ্ধ নাথাকে, বৰঞ্চ ই দেশৰ বিভিন্ন খণ্ডৰ প্ৰতিষ্ঠানসমূহক প্ৰচুৰ সম্ভাৱনাৰে পৰিপূৰ্ণ ৰাজ্যখনলৈ আদৰিবলৈ চৰকাৰে কৰি থকা প্ৰস্তুতিৰ আভাস দিব। ড০ শৰ্মাই আজিৰ দিনটোতে কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণক সাক্ষাৎ কৰে। এই বৈঠকতে কেন্দ্ৰীয় বিত্ত মন্ত্ৰীগৰাকীয়ে এডভাণ্টেজ আছাম সন্মিলনৰ সামৰণি অধিৱেশনত অধ্যক্ষতা কৰিবলৈ সন্মতি প্ৰদান কৰে। ড০ শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ সৈতেও এখন বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে এই বৈঠক অতি ফলপ্ৰসূ হোৱা বুলি প্ৰকাশ কৰি কয়, যে এডভাণ্টেজ আছামৰ এখন বৈঠকত অধ্যক্ষতা কৰিব।

**আই ৰেইজ ইন বিকশিত আছাম** শীৰ্ষক এই বৈঠকে যোগাযোগ আৰু প্ৰযুক্তি উদ্যোগৰ মূল অংশীদাৰসকলক একত্ৰিত কৰি ৰাজ্যত **আই ৰেইজ** নিৰ্মাণৰ ক্ষেত্ৰত অসমক নিৰ্দিষ্ট কৌশল প্ৰণয়ন কৰাত সহায় কৰিব বুলি ড০ শৰ্মাই আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় মন্ত্ৰী হৰদ্বীপ সিং পুৰীৰ সৈতেও এডভাণ্টেজ আছাম সন্দৰ্ভত আলোচনাত মিলিত হৈ হাইড্ৰ'কাৰ্বন আৰু অসমৰ শক্তি সম্ভাৱনাৰ দিশটোৰ বিষয়ে আলোচনা কৰে। এই বৈঠকত মুখ্যমন্ত্ৰীগৰাকীৰ সৈতে কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাও উপস্থিত থাকে।

ৰাজ্যৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান তথা সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই আজি এডভাণ্টেজ আছাম হ'বলগীয়া খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰ পৰিদৰ্শন কৰি প্ৰস্তুতিৰ সবিশেষ বুজ লয়। তেওঁৰ সৈতে ঔদ্যোগিক উন্নয়ন নিগমৰ সঞ্চালক মানবেন্দ্ৰ প্ৰতাপ সিং, লোকনিৰ্মাণ বিভাগ, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ লগতে বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

00000

অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বিবাৰ্ষিক পাঠশালা অধিৱেশনৰ আজি চতুৰ্থ দিনা বুৰঞ্জী সন্মিলনেৰে কাৰ্যসূচী আৰম্ভ হয়। প্ৰাচীন কামৰূপৰ ঐতিহ্যৰ বিষয়ে এই সন্মিলনত আলোচনা কৰা হয়। ইয়াৰ পাছতে বজালী ভিত্তিত লোক সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক-সংস্কৃতি বিভাগৰ মুৰব্বী অনিল বড়োৱে উদ্বোধন কৰা এই সমাৰোহত নসত্ৰৰ শৈক্ষিক কলাগুৰু কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়ৰ অধ্যাপক মৃণাল কুমাৰ বৰা, বিশিষ্ট লোকসংস্কৃতিবিদ ড০ বিজয় কুমাৰ শৰ্মা আৰু ঢেকীয়াজুলীৰ অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শুকদেৱ অধিকাৰীয়ে অংশগ্ৰহণ কৰে। সভাৰ নৱনিৰ্বাচিত সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত সাহিত্য সভাৰ দ্বিতীয় মুকলি সভা প্ৰাক্তন সভাপতি ড০ কুলধৰ শইকীয়াই উদ্বোধন কৰে। ইপিনে সভাৰ লগত সংগতি ৰাখি আজি যুৱ সংসদ, সাংস্কৃতিক সন্মিলন আৰু সাংস্কৃতিক কাৰ্যসূচীও অনুষ্ঠিত হৈছে।

00000

কেন্দ্ৰীয় চৰকাৰে সংযুক্ত মুক্তি বাহিনী, অসম চমুকৈ আলফাৰ ওপৰত থকা নিষেধাজ্ঞা ২০২৪ চনৰ ২৭ নৱেম্বৰৰ পৰা কাৰ্যকৰী হোৱাকৈ আৰু ৫ বছৰৰ বাবে বৃদ্ধি কৰাৰ পৰিপ্ৰেক্ষিতত অবৈধ কাৰ্যকলাপ প্ৰতিৰোধ ট্ৰাইবুনেলে আলফা সংগঠনক অহা ৪ মাৰ্চৰ বিয়লি ৩ বজাত গুৱাহাটী উচ্চ ন্যায়ালয়ত হাজিৰ হ'বলৈ নিৰ্দেশ জাৰি কৰিছে। অবৈধ কাৰ্যকলাপ প্ৰতিৰোধ ট্ৰাইবুনেলৰ পঞ্জীয়কে সংশ্লিষ্ট আইনৰ ৪-২ ধাৰাৰ অধীনত যোৱা ২৮ জানুৱাৰীত নিষিদ্ধ সংগঠনটোলৈ কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মাইকেল জোথানখুমালৈ গঠিত ট্ৰাইবুনেলে কেন্দ্ৰীয় চৰকাৰৰ এই জাননী অনুসৰি আলফাক নিষিদ্ধ ঘোষিত সংগঠন হিচাপে গণ্য কৰি থকাৰ উপযুক্ত কাৰণ আছে নে নাই সেই কথা ৩০ দিনৰ ভিতৰত জনাবলৈ সংযুক্ত মুক্তিবাহনী, অসমলৈ জাননী জাৰি কৰিছে। এই জাননী সন্দৰ্ভত সংগঠনটোৱে ইয়াৰ স্থিতি জাননী লাভ কৰাৰ ৩০ দিনৰ ভিতৰত ট্ৰাইবুনেলৰ পঞ্জীয়কৰ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পুৰণি ভৱনৰ কাৰ্যালয়লৈ পঠিয়াব পাৰিব বুলি এখন চৰকাৰী বিজ্ঞপ্তিত কোৱা হৈছে।

উল্লেখযোগ্য যে, নিষিদ্ধ ঘোষিত সংগঠন আলফাই ভাৰতৰ পৰা অসমক বিচ্ছিন্ন কৰাৰ বাবে মুকলিকৈ দাবী কৰাৰ লগতে বলপূৰ্বকভাৱে সংগঠনটোৰ বাবে পুঁজি সংগ্ৰহ আৰু ভাবুকি প্ৰদান, আন বিচ্ছিন্নতাবাদী সংগঠনৰ সৈতে সম্পৰ্ক ৰক্ষা কৰা, অবৈধভাৱে অস্ত্ৰ-শস্ত্ৰ আৰু গোলা-বাৰুদ মজুত কৰা, ২০২৪ চনৰ স্বাধীনতা দিৱসৰ পূৰ্বে অসমৰ কেইবা ঠাইতো বোমা সংস্থাপন কৰা আৰু ২০১৯ চনৰ ২৭ নৱেম্বৰৰ পৰা ২০২৪ চনৰ ১ জুলাই পৰ্যন্ত সংগঠনটোৰ বিৰুদ্ধে ১৬টা অপৰাধমূলক গোচৰ ৰুজু হৈ থকাৰ বিষয়ে উল্লেখ

কৰি যোৱাবছৰৰ ২৭ নৱেম্বৰত কেন্দ্ৰীয় চৰকাৰে ভাৰত ৰাজপত্ৰ যোগে এখন অধিসূচনা জাৰি কৰি আলফাক আৰু পাঁচ বছৰৰ বাবে নিষিদ্ধ ঘোষণা কৰিছিল।

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পাণবাৰী সংৰক্ষিত বনাঞ্চল দেশী-বিদেশী পৰ্যটকৰ বাবে মুকলি কৰা হ'ব। ৰাষ্ট্ৰীয় উদ্যানৰ ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত আমবাৰী সংৰক্ষিত বনাঞ্চললৈ বিভিন্ন পক্ষীৰ আগমন হয়। এই বনাঞ্চল বিভিন্ন পক্ষীৰ সুৰক্ষিত আবাসভূমি হিচাপে বিবেচিত হৈ আহিছে। ৰাষ্ট্ৰীয় উদ্যানখনত পক্ষী পৰ্যটনৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই এই সিদ্ধান্ত গ্ৰহণ কৰিছে। উদ্যান কৰ্তৃপক্ষই পৰ্যটকৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি বনাঞ্চলখনত নিৰীক্ষণ চূড়াৰ ব্যৱস্থা কৰা হৈছে। উল্লেখযোগ্য যে এই পাণবাৰী সংৰক্ষিত বনাঞ্চল দীৰ্ঘ বিৰতিৰ পাছত দৰ্শকৰ বাবে পুনৰ মুকলি কৰা হ'ব।

০০০০০

২০২৫-২৬ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বাবে ৰে'ল মন্ত্ৰালয়ৰ আবণ্টনৰ পৰিমাণ বিগত বিত্তীয় বৰ্ষৰ বাজেটতকৈ ৪৭ শতাংশ বৃদ্ধি কৰা হৈছে। ২০২৪-২৫ বৰ্ষত অঞ্চলটোৰ বাবে মুঠ ৪ হাজাৰ ৬ কোটি টকা ৰে'ল বিভাগলৈ আবণ্টন কৰাৰ বিপৰীতে পৰৱৰ্তী বিত্তীয় বৰ্ষত এই ধনৰ পৰিমাণ ৫ হাজাৰ ৯১৫ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি আবেলি নতুন দিল্লীৰ পৰা ভিডিঅ' কনফাৰেন্সিঙৰ যোগেদি গুৱাহাটীৰ মালিগাঁৱৰ উত্তৰ-পূৱ সীমান্ত ৰে'লৱেৰ মুখ্য কাৰ্যালয়ত উপস্থিত সাংবাদিকসকলৰ আগত এই বিষয়ে প্ৰকাশ কৰে। শ্ৰীবৈষ্ণৱে কয়, যে ২০২৫-২৬ বৰ্ষত উত্তৰ-পূৰ্বাঞ্চলত ৰে'ল আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত কেতবোৰ গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হৈছে। ৰে'লযাত্ৰীসকলৰ সুবিধাৰ্থে যোৱা জানুৱাৰী মাহৰ পৰা অসমত তিনিখন নতুন ৰে'লগাড়ী প্ৰৱৰ্তন কৰাৰ বিষয়েও শ্ৰীবৈষ্ণৱে উল্লেখ কৰে। তেওঁ কয়, যে উত্তৰ-পূৱ সীমান্ত ৰে'লৱেৰ অধীনত ৰে'লপথত থকা লেভেল ক্ৰচিং, আণ্ডাৰ পাছ অৰ্থাৎ ভূ-তল সুৰংগ নিৰ্মাণ আৰু ৰে'ল ষ্টেচনসমূহৰ উন্নয়নৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিয়া হ'ব। ২০১৪-১৫ বৰ্ষৰ তুলনাত ২০২৫-২৬ বৰ্ষত উত্তৰ-পূৰ্বাঞ্চলত ৰে'ল শিতানত আবণ্টিত ধনৰ পৰিমাণ পাঁচ গুণ বৃদ্ধি পাইছে বুলি ৰে'ল মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ পূজা-অৰ্চনা কৰা হয়। ৰাজ্যৰ শিক্ষানুষ্ঠানসমূহৰ লগতে বিভিন্ন কাৰ্যালয়, ব্যক্তিগত প্ৰতিষ্ঠান আদিতো আজি উলহ-মালহেৰে ধৰ্মীয় ৰীতি-নীতিৰে সৰস্বতী পূজা উদযাপন কৰা হয়। সৰস্বতী পূজা উপলক্ষে আজি ছাত্ৰ-ছাত্ৰীসকলে নানাৰঙী সাজ-পোছাক পৰিধান কৰি দেৱী সৰস্বতীৰ পূজা-অৰ্চনা কৰা পৰিলক্ষিত হয়। গুৱাহাটী মহানগৰীৰ অসম জাতীয় বিদ্যালয়, শংকৰদেৱ শিশু নিকেতন, সন্দিকৈ ছোৱালী মহাবিদ্যালয়, কটন বিশ্ববিদ্যালয়, গুৱাহাটী বাণিজ্য মহাবিদ্যালয়, গুৱাহাটী বিশ্ববিদ্যালয় আদিত আজি ছাত্ৰ-ছাত্ৰীৰ লগতে আন ভক্তিপ্ৰাণ ৰাইজৰো সমাগম হোৱা দেখা যায়। সৰস্বতী পূজা উপলক্ষে বিভিন্ন শিক্ষানুষ্ঠান প্ৰতিষ্ঠানৰ মণ্ডপসমূহ আটক ধুনীয়াকৈ সজাই-পৰাই তোলা হয়। ডিব্ৰুগড়, যোৰহাট, শিৱসাগৰ, তেজপুৰ, মঙলদৈ, নলবাৰী, বঙাইগাঁও, ধুবুৰী, শিলচৰ, শ্ৰীভূমি আৰু আন জিলাকেইখনতো আজি বাগদেৱীৰ পূজা যথাবিহিত কাৰ্যসূচীৰে পালন কৰা হয় বুলি আমাৰ বিভিন্ন জিলাৰ সংবাদদাতাসকলে জনাইছে।

০০০০০

শিক্ষা মন্ত্ৰী ৰণোজ পেগু আজি বিদ্যালয় শিক্ষা বিভাগ, উচ্চ শিক্ষা বিভাগকে ধৰি শিক্ষা খণ্ডৰ কেইবাটাও বিভাগৰ সৈতে এখন বিশেষ বৈঠকত মিলিত হয়। বৈঠকত ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাজেটৰ সম্প্ৰসাৰণ সন্দৰ্ভত আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে সদৰি কৰা অনুসৰি বৈঠকত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেট প্ৰস্তাৱ সন্দৰ্ভতো আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ প্ৰাদেশিকীকৰণ সন্দৰ্ভত বহুদিনীয়া বিবদমান বিষয়সমূহো বৈঠকত আলোচনা কৰে। তেওঁ কয়, যে এই ক্ষেত্ৰত বিভাগীয় মতামত শীঘ্ৰেই মন্ত্ৰীসভাৰ উপসমিতিলৈ প্ৰেৰণ কৰা হ'ব।

০০০০০

কৃষি মন্ত্ৰী অতুল বৰাই আজি গোলাঘাটৰ ডনবস্ক' মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ তথা সাংস্কৃতিক সমাৰোহৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰে। শৈক্ষিক উৎকৰ্ষতাৰ উপৰি শিক্ষাৰ্থীসকলৰ সাংস্কৃতিক প্ৰতিভা বিকাশৰ ক্ষেত্ৰত লোৱা প্ৰয়াসৰ বাবে মন্ত্ৰীগৰাকীয়ে শিক্ষানুষ্ঠানখনৰ শলাগ লয়। তেওঁ লগতে শিক্ষাৰ্থীসকলক শিক্ষাৰ জৰিয়তে সমাজলৈ পৰিৱৰ্তন আনিব পৰাকৈ সমৰ্থ হৈ উঠিবলৈ আহ্বান জনায়।

০০০০০

মৎস্য পালকসকলৰ সৰ্বতোপ্ৰকাৰৰ উন্নয়নৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তেওঁ কয়, যে বিশ্ববেংকৰ বিত্তীয় যোগানৰ জৰিয়তে গঢ়ি উঠা **আপাৰ্ট** প্ৰকল্পৰ সহায়ত গহপুৰ এফ পি চিয়ে শেহতীয়াকৈ ৪ লাখ মাছৰ পোনা ৰপ্তানী কৰিছে। ইয়াৰ জৰিয়তে মৎস্য পালকসকলৰ উপাৰ্জন বৃদ্ধি হোৱা বুলি উল্লেখ কৰি তেওঁ কয়, যে দূৰ-দূৰণিলৈ মৎস্য সৰবৰাহ কৰাৰ ক্ষেত্ৰত ৰাজ্যখন প্ৰযুক্তিগতভাৱে সমৰ্থৱান হৈ উঠিছে।

০০০০০

দক্ষিণ শালমাৰা মানকাচৰ আৰক্ষীয়ে চলোৱা এটা অভিযানত আজি বুজন পৰিমাণৰ বিস্ফোৰক সামগ্ৰী জব্দ কৰে। জিলাখনৰ অতিৰিক্ত আৰক্ষী অধীক্ষকৰ নেতৃত্বত চলা এই অভিযানত দুজন লোকক আটক কৰা হয়। ঘটনা সন্দৰ্ভত এটা গোচৰ ৰুজু কৰা হৈছে।

০০০০০

শিৱসাগৰ জিলা প্ৰশাসনৰ উদ্যোগ আৰু জিলা উদ্যোগ বাণিজ্য কেন্দ্ৰৰ সহযোগত কাইলৈ যুৱ দলৰ থানেশ্বৰ দত্ত সোঁৱৰণী প্ৰেক্ষাগৃহত এডভাণ্টেজ আছামৰ সন্দৰ্ভত এখন সজাগতা কৰ্মশালাৰ আয়োজন কৰা হৈছে। ৰাজ্যৰ প্ৰচুৰ ব্যৱসায়িক সম্ভাৱনা আৰু আন্তঃগাঁথনি উন্নয়নৰ পদক্ষেপক অন্বেষণৰ বাবে আগ্ৰহী উদ্যোগীসকলৰ বাবে এই কৰ্মশালাৰ আয়োজন কৰা হৈছে।

০০০০০

ৰাজ্যৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ উদ্যোগত আয়োজিত দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণৰ অংশ হিচাপে আজিৰে পৰা বৰপেটা জিলা পৰ্যায়ৰ প্ৰতিযোগিতাসমূহ আৰম্ভ হৈছে। বৰপেটা পৌৰসভাৰ খেলপথাৰত আজি জিলা আয়ুক্ত ৰোহন কুমাৰ ঝাই এই প্ৰতিযোগিতা মুকলি কৰে। এই অনুষ্ঠানত আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন সাঁতোৰবিদ এলভিছ আলি হাজৰিকা উপস্থিত থাকে। অনুষ্ঠানত খেলুৱৈগৰাকীয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বৰ্তমান ৰাজ্যত ক্ৰীড়া ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে বুলি মন্তব্য কৰে। ইয়াৰ ফলত ৰাজ্যৰ খেলুৱৈসকলে ভালেমান সা-সুবিধা লাভ কৰি ৰাজ্যখনলৈ বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে বুলি প্ৰকাশ কৰে। এই প্ৰতিযোগিতাত জিলাখনৰ বৰপেটা, চেঙা,

পাকা বেতবাৰী, ভৱানীপুৰ, সৰভোগ আৰু মন্দিয়া সমষ্টি পৰ্যায়ৰ এহেজাৰ ৪৮ গৰাকী প্ৰতিযোগিয়ে অংশ লৈছে।

গোলাঘাট জিলাত পৰহিলৈৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণৰ প্ৰতিযোগিতাসমূহ আৰম্ভ হ'ব। এই উপলক্ষে সেইদিনা পুৱা জিলাখনৰ চেলেংগী খেলপথাৰত উদ্বোধনী কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই কাৰ্যসূচীত জিলা আয়ুক্তকে ধৰি জিলাৰ বিভিন্ন বিভাগৰ সংশ্লিষ্ট বিষয়াসকল উপস্থিত থাকিব। প্ৰতিযোগিতাৰ প্ৰথম দিনা এথলেটিকছ্, দবা, ফুটবল আৰু কাবাদী প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

০০০০০

আজি পুৱা গুৱাহাটীৰ ৰাধা গোবিন্দ বৰুৱা পথৰ নিজা বাসভৱনত বাৰ্ধক্যজনিত কাৰণত দেহাৱসান ঘটা সুকণ্ঠী গায়িকা বীণা ভাগৱতীৰ অন্ত্যেষ্টিক্ৰিয়া আজি নৱগ্ৰহ শ্মশানত সম্পন্ন কৰা হয়। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে উকুলি-মুকুলি কুকুলিকে খেলা, ৰহদৈ অ' এয়া নিৰ্মলা নদীৰ ঘাট আদি ভালেকেইটা চিৰসেউজ গীত উপহাৰ দি থৈ যোৱা আকাশবাণীৰ স্বীকৃতিপ্ৰাপ্ত শিল্পীগৰাকীৰ মৃত্যুৰ সময়ত বয়স আছিল ৮৮ বছৰ। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই শিল্পীগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। এটা শোকবাৰ্তাত তেওঁ ভালেকেইটা চিৰসেউজ গীত উপহাৰ দি অসমীয়া সংগীত জগতক চহকী কৰা ব্যতিক্ৰমী কণ্ঠৰ অনাতাঁৰ শিল্পীগৰাকীৰ অৱদান অসমৰ সমাজ জীৱনে কেতিয়াও নাপাহৰে বুলি প্ৰকাশ কৰিছে। সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰা আৰু আন ভালেসংখ্যক ব্যক্তি আৰু সংগঠনে বীণা ভাগৱতীৰ মৃত্যুত শোক প্ৰকাশ কৰাৰ বাতৰি আমালৈ আহি আছে।

০০০০০

গুৱাহাটীৰ বেলতলা সৌৰভ নগৰ নিবাসী অসম চৰকাৰৰ জনসংযোগ বিভাগৰ অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক মনোৰমা বৰুৱাৰ যোৱা নিশা শোকাৱহ পথ দুৰ্ঘটনাত পতিত হৈ দেহাৱসান ঘটে। যোৱা নিশা প্ৰায় চাৰে ৭ বজাত বেলতলা তিনিআলিত এখন তীব্ৰবেগী ডাম্পাৰে খুন্দিওৱাৰ ফলত তেওঁ পথত পৰি যায় আৰু মূৰত আঘাত পায়। তেওঁক ততাতৈয়াকৈ হাস্পতালত ভৰ্তি কৰোৱা হয় যদিও নিশা প্ৰায় ১০ বজাত চিকিৎসকসকলে তেওঁক মৃত বুলি ঘোষণা কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৩ বছৰ। আজি বিয়লি নৱগ্ৰহ শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়। চাকৰিৰ পৰা অৱসৰ গ্ৰহণৰ পাছত তেওঁ টেলিভিছনৰ চিৰিয়েল আৰু ছবিত অভিনয় কৰাৰ লগতে কাকত-আলোচনীত লেখা-মেলাও কৰিছিল। তেওঁৰ এই শোকাবহ মৃত্যুত ৰাজ্য চৰকাৰৰ জনসংযোগ বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে শোক প্ৰকাশ কৰিছে।

০০০০০

গুৱাহাটীৰ কামৰূপ একাডেমী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তিলক চন্দ্ৰ শৰ্মাৰ যোৱা নিশা গুৱাহাটীৰ চানমাৰিৰ মিলনপুৰৰ নিজা বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৫ বছৰ। দৰং জিলাৰ ছিপাঝাৰ ভুক্তাবাৰীত জন্মগ্ৰহণ কৰা শৰ্মাই তেওঁৰ বাসগৃহত স্থাপন কৰা মিলনপুৰ শিৱ মন্দিৰ পৰৱৰ্তী সময়ত চানমাৰি অঞ্চলৰ ধৰ্মপ্ৰাণ ৰাইজৰ ৰাজহুৱা উপাসনাস্থলীত পৰিণত হৈছিল। শৰ্মাৰ মৃত্যুত ছিপাঝাৰ আৰু গুৱাহাটীত শোকৰ ছাঁ পৰিছে।

০০০০০

সমাপ্ত